L.T.K COLLEGE ESTD 197_

## For the Year 2019 to 2020

Felicitation to Dr. Amiya Rajbongshi for her achieving National Award as a Popular Science Writer





অসমীয়া প্ৰতিদিন ১৪/০৩/২০২০

এল টি কে মহাবিদ্যালয়ত ড° অমিয়া ৰাজবংশী

লক্ষীমপুৰ, ১৩ মাৰ্চ : এল টি কে মহাবিদ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱস লগতে সংগতি ৰাখি ৭ মাৰ্চত এক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়াই। সভাখন উদ্বোধন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বন্তি গগৈ হাওবৰাই। উদ্বোধনী ভাষণত তেওঁ নাৰী দিৱসৰ প্ৰাসংগিকতা আৰু ইতিহাস সম্পৰ্কে ব্যাখ্যা কৰে। লগতে ড° অমিয়া ৰাজবংশীৰ ব্যক্তিত্ব আৰু বিজ্ঞানৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ কথা বৰ্ণনা কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়াই আদৰণি ভাষণ আগবঢ়োৱাৰ পাছতেই কেন্দ্ৰীয় চৰকাৰে লেখা মাধ্যমৰ জৰিয়তে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সম্প্ৰসাৰণৰ বাবে ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰাত ড° অমিয়া ৰাজবংশীক মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ তৰফৰ পৰা এখন পাটৰ চেলেং, এখন গামোচা, এখন শৰাই আৰু এখন মানপত্ৰ প্ৰদান কৰা হয়। সম্বৰ্ধনা অনুষ্ঠানৰ পাছতেই ড° ৰাজবংশীয়ে নিজস্ব অভিজ্ঞতা আৰু বৈজ্ঞানিক মানসিকতা সম্পৰ্কত বক্তৃতা প্ৰদান কৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে লখিমপুৰৰ উপ-আৰক্ষী অধীক্ষক কৰ্ণা নেওগ। নিৰ্দিষ্ট বক্তাৰ ভাষণত তেওঁ নিজস্ব অভিজ্ঞতাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৱতী হ'বলৈ আহ্বান জনায়। উপৰি তেওঁ সামাজিক মাধ্যমৰ নেতিবাচক দিশসমূহ উল্লেখ কৰাৰ লগতে আইন সম্পৰ্কীয় বিভিন্ন দিশসমূহ ব্যাখ্যা কৰে। ইয়াৰ পাছতে আমন্ত্ৰিত অতিথিৰ ভাষণ প্ৰদান কৰে লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° মুকুন্দ ৰাজবংশীয়ে। তেওঁ ছাত্ৰ-ছাত্ৰী আহ্বান জনায়। সভাপতিৰ মন্তব্যত অধ্যক্ষই বঁটা প্ৰাপক ড° সম্পৰ্কত আলোকপাত কৰে। দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীস প্ৰতিযোগিতাৰ লগতে ছাত্ৰীসকলৰ মনত গ্ৰন্থ অধ্যয়নৰ প্ৰ পঢ়াৰ উৎসৱ' অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ গাৰ্হস্থ্য বিজ্ঞ ড° স্বপ্না দত্তই অতি ধুনীয়া অনুষ্ঠানটোৰ শলাগৰ শৰাই আগবঢ়া অধ্যাপিকা ড° বিনীতা চহৰীয়াই।

Celebration of International Women's Day in collaboration of Assam State Rural Livelihood Mission (ASRLM) at the Panchayat Community Hall Azad

**Resource Person:**

1. Dr. Jwali Neog, Medical and Health Officer
2. Dr. Indrani Gogoi, Associate Professor, Dept. of English, Nowboicha College.
3. Dr. Anupal Saikia, Medical Officer, Vetenary College, Azad

Saikia
Principal
L. T. K. College Azad
North lakhimpur